# 2018

## ASSAMESE

## ( Major )

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) প্ৰথম অসমীয়া সামাজিক নাটখনৰ নাম কি?

(খ) 'গাঁওবুঢ়া' নাটখনৰ ৰচক কোন?

(গ) 'সীতা হৰণ' নাটখনৰ নাট্যকাৰগৰাকীৰ নাম কি?

(ঘ) জুনুফা কাৰ দেউতাক আছিল?

(ঙ) মণিমুগ্ধ কোন দেশৰ অধিপতি আছিল?

(চ) মূলাগাভৰু কোন আহোম বিষয়াৰ পত্নী আছিল?

(ছ) কিমান চনত মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি আৰু এইখন ক'ত প্ৰকাশ পাইছিল ?

(খ) 'ৰূপালীম' নাটকত বিদেশী নাট্যকাৰৰ কোনখন নাটকৰ প্ৰভাৱ লক্ষ্য কৰা যায় ?

(গ) মণিৰাম দেৱানক ইংৰাজে কিয় ফাঁচী দিছিল ?

(ঘ) দিহিঙীয়া ৰজাৰ দিনত মূল ৰাজবিষয়া কোন কোন আছিল ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাট 'শোণিত কুঁৱৰী'ৰ নতুনত্বৰ বিষয়ে আলোচনা কৰা।

(খ) 'ৰূপালীম' নাটকৰ ইতিভেন চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্য কেনেকুৱা ?

(গ) হৰনাথ কোন আছিল ? তেওঁ কাৰ হৈ কাম কৰিছিল ?

(ঘ) 'ৰঙাচিলা' মানে কি ? 'ৰঙাচিলা' নামেৰে কাক মতা হৈছিল ?

(ঙ) মূলাগাভৰুৰ ক'ত, কেনেকৈ মৃত্যু হৈছিল ?

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) আধুনিক অসমীয়া নাটকৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে উদাহৰণসহ এটি আলোচনা দাঙি ধৰা।

(খ) সংস্কাৰমূলক নাটক হিচাপে 'ৰামনৱমী' নাটৰ এটি আলোচনা আগবঢ়োৱা।

(গ) 'ৰূপালীম' নাটকৰ নায়িকা কোন? তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

(ঘ) 'মণিৰাম দেৱান' নাটখনৰ মাজেৰে নায়কৰ দেশপ্ৰেমৰ চানেকি কেনেদৰে পাব পাৰি, নিদৰ্শনসহ আলোচনা কৰা।

(ঙ) বুৰঞ্জীমূলক নাটক কাক বোলে? 'হেংদাং'ক বুৰঞ্জীমূলক নাটক বুলি অভিহিত কৰিব পাৰিনে? আলোচনা কৰা।

★★★

# 2 0 1 8

## ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) হেমচন্দ্ৰ বৰুৱাই হিন্দী বা ব্ৰজভাষা কাৰ পৰা শিখিছিল ?

(খ) মহাপুৰুষ মাধৱদেৱৰ জন্ম প্ৰাচীন কামৰূপৰ কোনটো পীঠত হৈছিল ?

(গ) 'কৃষ্ণ' শব্দৰ পাৰিভাষিক অৰ্থ কি ?

(ঘ) প্ৰাচীন ৰোম দেশৰ শিক্ষাব্যৱস্থাৰ এটি মূল বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) 'ৰামনৱমী' নাটকৰ নৱমী আৰু ৰামচন্দ্ৰৰ মিলনদূতী কোন ?

(চ) গুণাভিৰামৰ 'ৰামনৱমী' নাটকত বিধবা-বিবাহ সংস্কাৰ আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

(ছ) আমিয়েলৰ *Journal Intime* (আমিয়েলৰ 'অন্তঃপ্ৰাণৰ ডায়েৰী') গ্ৰন্থখনৰ এটি চমু পৰিচয় দিয়া।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) প্ৰাচীন কামৰূপৰ পীঠকেইটা কি কি?

(খ) নালন্দা বিশ্ববিদ্যালয়ত পাঠদান কৰা চাৰিটা বিষয়ৰ নাম লিখা।

(গ) জীৱৰ আনন্দলিপ্সা বৰ বেছি, কিয়?

(ঘ) হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' নাটকৰ বিষয়বস্তু কি?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ইংৰাজে অসমৰ শাসনভাৰ লোৱাৰ পিচত সেই ৰাজ্যত হোৱা বিভিন্ন পৰিৱৰ্তনৰ এটি চমু বিৱৰণ দিয়া।

(খ) হেমচন্দ্ৰ বৰুৱাই নিজে পুনঃ বিবাহ নকৰাৰ সপক্ষে কোৱা কথাখিনি চমুকৈ লিখা।

(গ) 'ব্ৰহ্ম সৎ', 'ব্ৰহ্ম চিৎস্বৰূপ' আৰু 'ব্ৰহ্ম আনন্দময়'—চমুকৈ ব্যাখ্যা কৰা।

(ঘ) সৌন্দৰ্যবোধৰ লগত মানুহৰ সৌন্দৰ্য, বীৰ্য, চৰিত্ৰ আদি সদ্‌গুণৰ কি সম্পৰ্ক, চমুকৈ লিখা।

(ঙ) 'জীৱন এটি ৰূপক মাথোন'—এমার্চনৰ এই উক্তিটোৰ তাৎপর্য 'পণ্ডিতৰ ভূমাস্পৃহা' নামৰ পাঠটিৰ আলমত চমুকৈ ব্যাখ্যা কৰা।

৪। (ক) 'আত্মজীৱন চৰিত' নামৰ পাঠটিৰ আধাৰত হেমচন্দ্ৰ বৰুৱাৰ সময়ৰ প্ৰাক্-স্বাধীনতাকালীন অসমৰ শিক্ষা ব্যৱস্থাৰ এটি ৰূপৰেখা দাঙি ধৰা। ১০

*অথবা*

(খ) 'ভাৰত বিধাতাৰ জ্যেষ্ঠ পুত্ৰ'—এই উক্তিটোৰ তাৎপর্য ব্যাখ্যা কৰা।

৫। (ক) "আজিকালি পৃথিৱীৰ সকলো ঠাইতে শিক্ষা বিষয় লৈ নানা ৰকম আলোচনা হ'ব লাগিছে। সকলো চিন্তাশীল লোকৰ মত হৈছে যে বর্তমান প্রচলিত শিক্ষা-সংস্কাৰ নিতান্ত আৱশ্যক হৈছে।" হেমচন্দ্ৰ গোস্বামীৰ 'শিক্ষাৰ ইতিহাস আৰু ছাত্ৰ' নামৰ পাঠটোৰ সহায়ত লেখকে শিক্ষাৰ কেনেধৰণৰ সংস্কাৰৰ কথা কৈছে, বর্ণনা কৰা। ১০

*অথবা*

(খ) "সৌন্দর্য্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।" নীলমণি ফুকনৰ এই কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

৬। (ক) "আমিয়েলৰ ডায়েৰী চাৰিওফালৰ সীমাবদ্ধ জ্ঞানৰ হেঁচাত স্বাভাবিকৰূপে বিকাশ লাভ কৰিব নোৱাৰা অন্তঃপ্ৰাণৰ ৰসনির্যাস মাথোন।" বাণীকান্ত কাকতিৰ এই উক্তিটো উপযুক্ত উদাহৰণৰ দ্বাৰা বিচাৰ-বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) "অসমীয়া সাহিত্যৰ পুৰণি ভেটিক নকৈ চিকুণাই ৰৰঘৰ বন্ধাৰ কাম আৰম্ভ হয় এই ঊনবিংশ শতিকাটোৰ মাজ ভাগৰ পৰাই। এই যুগৰ সাহিত্যিক প্ৰচেষ্টাই গতি কৰিছিল ত্ৰিস্ৰোতা হৈ।" তীৰ্থনাথ শৰ্মাৰ এই উক্তিৰ আলমত ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যিক প্ৰচেষ্টাৰ তিনিওটা সোঁত বৰ্ণনা কৰা।

★★★

# 2018

## ASSAMESE

## ( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ‘মেঘনাদবধকাব্য’ গ্ৰন্থখনৰ কবিগৰাকীৰ নাম লিখা।

(খ) ‘পথেৰ পাঁচালী’ উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম কি?

(গ) অসমীয়া ভাষাত ৰচনা কৰা ‘কপিলীপৰীয়া সাধু’ উপন্যাসখনৰ ৰচক কোন?

(ঘ) কোনগৰাকী নাট্যকাৰৰ হাতত হিন্দী নাট্য-সাহিত্যই চমকপ্ৰদ সফলতা লাভ কৰিছিল?

(ঙ) প্ৰথমখন হিন্দী উপন্যাসৰ নাম কি?

(চ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰথম প্ৰকাশিত গল্পপুথিখনৰ নাম লিখা।

(ছ) প্ৰগতিবাদী চিন্তা-চেতনাৰে সমৃদ্ধ হৈ যাত্ৰা আৰম্ভ কৰা অসমীয়া আলোচনীখনৰ নাম কি?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) জীবনানন্দ দাশৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(খ) হিন্দী সাহিত্যত ৰোমান্টিক চেতনাৰে সমৃদ্ধ ছায়াবাদ আন্দোলনৰ নেতৃত্ব দিয়া দুগৰাকী কবিৰ নাম লিখা।

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনৰ সমধৰ্মী এখন অসমীয়া উপন্যাস আৰু উপন্যাসখনৰ লেখকগৰাকীৰ নাম লিখা।

(ঘ) ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ দুখন গল্প-সংকলনৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ভাৰতীয় সাহিত্যৰ মূল সুৰটো কি? অসমীয়া, হিন্দী আৰু বাংলা সাহিত্যৰ উদ্ধৃতিৰে চমু আলোচনা কৰা।

(খ) 'কফন' মানে কি? ঘীসু আৰু মাধৱে কফন আনিবলৈ গৈ কেনেধৰণৰ পৰিস্থিতিৰ মুখামুখি হৈছিল, আলোচনা কৰা।

(গ) 'ময়লা আঁচল' উপন্যাসখনত প্ৰকাশ পোৱা গ্ৰাম্য জীৱনৰ ছবিখনৰ ওপৰত আলোকপাত কৰা।

(ঘ) 'সখা দামোদৰ' গল্পত প্ৰকাশ পোৱা অসমীয়া লোক-কৃষ্টি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ এটি চমু আলোচনা আগবঢ়োৱা।

৪। (ক) "মানিক বন্দ্যোপাধ্যায়ৰ উপন্যাস সামাজিক আৰু ৰাজনৈতিক চেতনাৰ শিল্পসম্মত অভিব্যক্তি।" কথাষাৰিৰ আঁত ধৰি বাংলা উপন্যাস সাহিত্যলৈ মানিক বন্দ্যোপাধ্যায়ৰ অৱদান সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) " 'পদ্মানদীৰ মাঝি' উপন্যাসখন ভাৰতীয় গ্ৰাম্য জীৱনৰ দলিলস্বৰূপ।" কথাষাৰিৰ আঁত ধৰি উপন্যাসখনত প্ৰকাশ পোৱা গ্ৰাম্যজীৱনৰ এক যথাৰ্থ ছবি অংকন কৰা।

৫। (ক) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'পোষ্টমাষ্টাৰ' গল্পৰ মাজেৰে প্ৰকাশ পোৱা পোষ্টমাষ্টৰ আৰু ৰতনৰ সম্পৰ্কৰ তাত্ত্বিক দিশটোৰ মূল্যায়ন কৰি এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'পোষ্টমাষ্টাৰ' গল্পত প্ৰকাশ পোৱা পোষ্টমাষ্টৰৰ মনৰ অন্তৰ্দ্বন্দ্বৰ ছবিখন প্ৰকাশ কৰি এটি আলোচনা কৰা।

৬। (ক) ছায়াবাদ যুগৰ হিন্দী সাহিত্যৰ বৈশিষ্ট্যৰাজি বিশ্লেষণ কৰি এটি আলোচনা কৰা। ১০

*অথবা*

(খ) 'কফন' গল্পটোৰ মাজেৰে প্ৰেমচান্দে দৰিদ্ৰতাৰ ছবিখন কিমান সজীৱভাৱে ৰূপায়িত কৰিছে, আলোচনা কৰা।

★★★

# 2018

## ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ মৰণোত্তৰভাৱে প্ৰকাশিত গল্পপুথিখনৰ নাম কি?

(খ) 'ময়না', 'বাজীকৰ', 'গল্পাঞ্জলি'—এই গল্পপুথিকেইখনৰ গল্পকাৰজনৰ নাম কি?

(গ) 'লাম্‌বাদা নাচৰ শেষত' গল্পপুথিখনৰ লেখকগৰাকীৰ নাম লিখা।

(ঘ) বিষ্ণু ৰাভাৰ জীৱনক লৈ মেদিনী চৌধুৰীয়ে লিখা উপন্যাসখনৰ নাম কি?

(ঙ) ৰাম্না বৰুৱাই অসমৰ চাহ-বাগিচাৰ পটভূমিত লিখা উপন্যাসখনৰ নাম কি?

(চ) ‘অন্তৰীপ’ উপন্যাসখনৰ ঔপন্যাসিকগৰাকী কোন?

(ছ) ‘ফেলানী’ উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) জোনাকী যুগৰ দুজন অসমীয়া গল্পকাৰৰ নাম লিখা।

(গ) ‘ৰংমিলিৰ হাঁহি’ উপন্যাসখনৰ লেখক কোন? অসমৰ কোনটো জনগোষ্ঠীৰ বিষয়ে উপন্যাসখনত বৰ্ণনা কৰা হৈছে?

(ঘ) ভাৰতৰ কোনখন ৰাজ্যৰ পটভূমিত ‘অনুৰাধাৰ দেশ’ উপন্যাসখন লিখা হৈছে? উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ‘ব্যৰ্থতাৰ দান’ নামটোৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) “তয়ো ভাল মানুহ দে। ইমান কাঠচিতীয়া নহবিচোন। ঘৰত ল’ৰা-তিৰোতা এৰি বিহুটোত আঁতৰত কটাব পায়নে? মই কাক মূৰ দোৱাম?”

কথাকেইষাৰ কোনে, কাক, কি প্ৰসংগত কৈছে, আলোচনা কৰা।

(গ) "সেই উদাৰ ব্ৰহ্মপুত্ৰৰো এখন নোমাল হাত আছে। আছে ক'লা মেকুৰীৰ সৰ্বনশীয়া চকুৰ দৃষ্টি।"

কি প্ৰসংগত এই কথাষাৰ কোৱা হৈছে, ব্যাখ্যা কৰা।

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত যশোৱন্ত চৰিত্ৰটোৰ মাজেৰে মূল্যবোধৰ চিত্ৰ কিদৰে প্ৰকাশ হৈছে, আলোচনা কৰা।

(ঙ) অসমীয়া জীৱনীমূলক উপন্যাসৰ বিষয়ে এটি চমু টোকা লিখা।

৪। (ক) 'আৱাহন যুগ'ৰ অসমীয়া গল্পৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি সেই যুগৰ দুগৰাকী অসমীয়া গল্পকাৰৰ গল্পৰ বিষয়ে লিখা। ১০

*অথবা*

(খ) অসমীয়া বাস্তৱবাদী উপন্যাসৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। (ক) লিলি আৰু তৰু চৰিত্ৰ দুটাৰ মাজেৰে নাৰীমনস্তত্ত্বৰ ভিন্-ভিন্ দিশ কিদৰে ফুটি উঠিছে, 'ব্যৰ্থতাৰ দান' গল্পটোৰ আধাৰত আলোচনা কৰা। ১০

*অথবা*

(খ) দিবাকৰৰ জীৱনলৈ অহা নাৰীৰ সংস্পৰ্শই দিবাকৰৰ জীৱনৰ ওপৰত কেনেকুৱা প্ৰভাৱ বিস্তাৰ কৰিছে, আলোচনা কৰা।

৬। (ক) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত নিষ্পেষিত শ্ৰমিকসকলৰ মৰ্মান্তিক জীৱন-চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত শ্ৰমিকসকলৰ ধৰ্মঘট বিফল হোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

★★★

# 2018

## ASSAMESE

## ( Major )

Paper : 6.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) আটাইতকৈ সৰু আৰু খৰতকীয়া সমছন্দটোৰ নাম কি?

(খ) ঝুমুৰী ছন্দৰ আন এটা নাম কি?

(গ) উপমানৰ অৰ্থ কি?

(ঘ) "কাব্যং গ্ৰাহ্যমলংকাৰাৎ" মন্তব্যটো কাৰ?

(ঙ) লেচাৰি ছন্দৰ অক্ষৰ সংখ্যা কিমান?

(চ) "মৃত্যু কুশল কুশল কোঁৱৰে
বিলাই জীৱন ধন,
এখন্তেকীয়া মৰণ কৰিলে
যুগমীয়া সুমৰণ॥"

পংক্তিটোত কি অলংকাৰ হৈছে?

(ছ) ধ্বনি বুলিলে কি বুজা?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) পৰ্ব কাক বোলে?

(খ) স্তৱক কাক বোলে?

(গ) ৰূপক অলংকাৰ কেইই প্ৰকাৰৰ আৰু কি কি?

(ঘ) "মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।"

কবিতাংশ কি অলংকাৰ, বুজাই লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

ভ্ৰান্তিমান ; ছবি ; শ্লেষ ; পয়াৰ ; কুসুমমালা।

৪। (ক) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে এটা আলোচনা লিখা। ১০

*অথবা*

(খ) সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

৫। (ক) কবিপ্ৰসিদ্ধি কি? কবিপ্ৰসিদ্ধি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) অনুপ্ৰাস অলংকাৰ কাক বোলে? অনুপ্ৰাস অলংকাৰৰ বিভিন্ন ভাগৰ উদাহৰণসহ আলোচনা কৰা।

৬। (ক) মাত্ৰাবৃত্ত আৰু স্বৰবৃত্ত ছন্দৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ছন্দৰ এই দুটি ধাৰাৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) মুক্তক ছন্দৰ বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা।

★★★

# 2018

## ASSAMESE

( Major )

Paper : 6.6

( ভাষা-বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ভাষাৰ ন্যূনতম একক কি?

(খ) *An Introduction to Descriptive Linguistics* গ্ৰন্থখনৰ লেখক কোন?

(গ) Grammar শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(ঘ) কিছুমান ভাষাত প্ৰাণী-অপ্ৰাণীৰ ভেদ নাৰাখিও লিঙ্গভেদ দেখুওৱা হয়। এই লিঙ্গক কি বুলি কোৱা হয়?

(ঙ) ভাষাৰ স্বয়ংসম্পূৰ্ণ সুকীয়া উপাদানটোক বহল অৰ্থত কি বোলা হয়?

(চ) ৰূপৰ অৰ্থবহ সমষ্টিক কি বোলে?

(ছ) ভাষাৰ বৃহত্তম একক কি?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) "বাক্ধ্বনিৰ কোনো নিজস্ব অৰ্থ নাই।" কথাষাৰ উদাহৰণেৰে বুজাই লিখা।

(খ) শ্বাসাঘাত বুলিলে কি বুজা?

(গ) শূন্য বিভক্তি কি?

(ঘ) শব্দৰ অৰ্থৰ অৱনতি বুলিলে কি বুজা?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ধ্বনিতত্ত্ব (Phonology) আৰু ধ্বনিবিজ্ঞান (Phonetics)

(খ) সমকালিক (Synchronic) আৰু কালক্ৰমিক (Diachronic) ভাষা-বিজ্ঞান

(গ) পিজিন (Pidgin) আৰু ক্ৰেওল (Creole)

(ঘ) বাক্যত ব্যৱহৃত শব্দবোৰৰ শ্ৰেণী বিভাজন

(ঙ) শব্দৰেখা (Isogloss)

৪। (ক) ধ্বনিবিজ্ঞান বুলিলে কি বুজা? ইয়াৰ আলোচ্য বিষয় কি কি? ধ্বনিবিজ্ঞানৰ বিভিন্ন শাখাৰ চমু পৰিচয় দাঙি ধৰা। ২+২+৬=১০

*অথবা*

(খ) প্ৰাকৃতি কাক বোলে? আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা। ৩+৭=১০

৫। (ক) ভাষা-বিজ্ঞান বুলিলে কি বুজা? ভাষা-বিজ্ঞানক 'বিজ্ঞান' বোলাৰ যুক্তি আছেনে? ঐতিহাসিক আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) উপভাষা-বিজ্ঞান বুলিলে কি বুজা? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা আগবঢ়োৱা। ২+৮=১০

৬। (ক) শব্দাৰ্থ বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰি শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণবোৰ উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) বাকতত্ত্ব কি? বাক্যক কি কি দিশৰ পৰা শ্ৰেণী বিভাজন কৰিব পাৰি? গঠনৰীতিৰ দিশৰ পৰা বাক্যক ভাগ কৰি, প্ৰতিটি ভাগৰ বিষয়ে আলোচনা কৰা। ২+২+৬=১০

★★★